# Visit of Chief of Army Staff and Foreign Secretary to Myanmar (October 4-5, 2020)

October 05, 2020

---

# ভাৰতীয় স্থল সেনাৰ মুৰব্বী আৰু বৈদেশিক সচিবৰ ম্যানমাৰ ভ্ৰমণ (অক্টোবৰ 4–5, 2020)

অক্টোবৰ 05, 2020

ভাৰতীয় স্থল সেনাৰ মুৰব্বী জেনেৰেল এম এম নাৰাৱানে, পি ভি এছ এম, এ ভি এছ এম, এছ এম, ভি এছ এম, এ ডি চি আৰু বৈদেশিক সচিব শ্ৰী হৰ্ষৱৰ্দ্ধন শ্ৰিংলাই 4–5 অক্টোবৰ, 2020 তাৰিখে ম্যানমাৰ ভ্ৰমণ কৰে। এই ভ্ৰমণে দ্বিপাক্ষিক সম্পৰ্কৰ ধাৰাবাহিক অগ্ৰগতিক পৰ্যালোচনা কৰাৰ এক সুযোগ প্ৰদান কৰিছে যি সাম্প্ৰতিক সময়তনিয়মিত উচ্চ পৰ্যায়ৰ পৰিদৰ্শন আৰু আলোচনাৰ দ্বাৰা চিহ্নিত কৰা হৈছে।

ভাৰতীয় স্থল সেনাৰ মুৰব্বী আৰু বৈদেশিক সচিবে ৰাজ্যিক কাউন্সিলাৰ দাও আংগ চান ছু কী আৰু কমাণ্ডৰ ইন চীফ অফ ডিফেন্স চাৰ্ভিছেছৰ চিনিয়ৰ জেনেৰেল মিন আংগ হালিঙ্গক সাক্ষাত কৰে। ভাৰতীয় স্থল সেনাৰ মুৰব্বীয়ে উপ জ্যেষ্ঠ প্ৰধান চৌ ৱীন, ম্যানমাৰ সশস্ত্ৰ সেৱাৰ উপ কামাণ্ডাৰ–ইন–চীফক সাক্ষাত কৰে। বৈদেশিক সচিবে ম্যানমাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ স্থায়ী সচিব ইউ চৌ হানক সাক্ষাত কৰে। ইয়াৰ আগতে দুয়ো পক্ষই 1 অক্টোবৰ, 2020 তাৰিখে ভাৰ্চুৱেল বৈদেশিক কাৰ্য্যালয় পৰামৰ্শৰ মাধ্যমেৰে দ্বিপাক্ষিক সহযোগিতাৰ ক্ষেত্ৰত ব্যাপক আলোচনা কৰে।

দুয়ো পক্ষই যোগাযোগ সংক্ৰান্তীয় প্ৰকল্প, সক্ষমতা বৃদ্ধি, বিদ্যুত আৰু শক্তি, অৰ্থনৈতিক আৰু বাণিজ্যিক সম্পৰ্কক আৰু গভীৰ কৰা, মানুহৰ সৈতে মানুহৰ সম্পৰ্ক আৰু সাংস্কৃতিক আদান–প্ৰদানৰ ক্ষেত্ৰখন সহজতৰ কৰা আৰু তিনিওটা সেৱাতেই নিজৰ প্ৰতিৰক্ষা বিনিময়ক বৃহত্তৰ–ভিত্তিত তেওঁলোকৰ অংশীদাৰিত্বক আৰু অধিক মজবুত কৰাৰ লৈ সহমত পোষণ কৰে। কভিড–19 মহামাৰীৰ ফলত উদ্ভৱ হোৱা প্ৰত্যাহ্বানসমূহৰ পৰা হাত সাৰিবৰ কাৰণে সহযোগিতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত সহমত পোষণ কৰে। স্থল সেনাৰ মুৰব্বী আৰু বৈদেশিক সচিবে ৰাজ্যিক কাউন্সিলাৰক ৰেমডেছিভিৰ দৰৱৰ 3000 টা বটল আগবঢ়াইছিল যি মহামাৰীৰ বিৰুদ্ধে যুঁজত ম্যানমাৰক সহায় কৰাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিৰ প্ৰতীক। বৈদেশিক সচিবে কৰ'নাৰ প্ৰতিষেধকৰ উপলব্ধতা অনুযায়ী বিনিময় কৰাৰ ক্ষেত্ৰত ম্যানমাৰক অগ্ৰাধিকাৰ দিব বুলি ইঙ্গিত দিয়ে। ম্যানমাৰে জি–20 ঋণ সেৱা নিলম্বন পদক্ষেপৰ অধীনত 31 ডিচেম্বৰ, 2020লৈ ঋণ সেৱা নিবৃত্তি দিয়া ভাৰতৰ সিদ্ধান্তক প্ৰশংসা কৰে।

উভয় পক্ষই ত্ৰিপক্ষীয় ঘাইপথ আৰু কালাদান মাল্টি–মডেল ট্ৰানজিট ট্ৰান্সপোৰ্ট প্ৰকল্পৰ দৰে বৰ্তমান চলি থকা ভাৰতৰ সাহাৰ্যপ্ৰাপ্ত আন্তঃগাঠনিমূলক প্ৰকল্পসকমূহৰ সন্দৰ্ভতো আলোচনা কৰে। তেওঁলোকে য়ামেথিন মহিলা পুলিচ একাডেমি, বুনিয়াদী কাৰিকৰী বিদ্যালয়ৰ উন্নতীকৰণৰ দৰে নতুন পদক্ষেপসমূহ তথা ম্যানমাৰ তথ্য প্ৰযুক্তিৰ প্ৰতিষ্ঠানৰ দৰে প্ৰকল্পৰ কাৰণে দীৰ্ঘকালীন স্থিতিস্থাপকতা প্ৰদান কৰাৰ উপায়সমূহৰ ওপৰত প্ৰাথমিক পৰ্যায়ত কাম আৰম্ভ কৰাৰ সন্দৰ্ভত মত বিনিময় কৰে। দুয়ো পক্ষৰ

মাজত 2021ৰ প্ৰথম ত্ৰিমাসিকত ৰাখিনে ৰাজ্যত চিটওয়ী বন্দৰ পৰিচালনাৰ দিশত কাম কৰাক লৈ সহমত পোষণ কৰে।

দুয়ো পক্ষই ৰাখিন ৰাজ্য উন্নয়ন কাৰ্যসূচী (RSDP)ৰ অধীনত হোৱা উল্লেখযোগ্য অগ্ৰগতিৰ কথা উল্লেখ কৰে আৰু দক্ষতা প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন সহ কাৰ্য্যসূচীৰ পৰ্যায় – IIIৰ অধীনত প্ৰকল্পসমূহক চূড়ান্ত কৰাৰ প্ৰস্তাৱ দিয়ে। ভ্ৰমণ কালত, RSDPৰ অধীনত কৃষি যান্ত্ৰিকীকৰণৰ উন্নতীকৰণ প্ৰকল্পত চুক্তি স্বাক্ষৰ কৰে। বৈদেশিক সচিবে স্থানচ্যুত ব্যক্তিসকলক ৰাখিন ৰাজ্যলৈ সুৰক্ষিত, বহনক্ষম আৰু শীঘ্ৰে উভতাই অনাটো সুনিশ্চিত কৰাৰ বাবে ভাৰতৰ সমৰ্থনৰ কথা জানিব দিয়ে।

দুয়ো পক্ষই তেওঁলোকৰ সীমান্তৱৰ্তী অঞ্চলৰ সুৰক্ষা আৰু স্থিতিশীলতা বজাই ৰখাৰ বিষয়ে আলোচনা কৰে আৰু নিজস্ব অঞ্চলত ইজনে আনজনৰ ওপৰত ক্ষতিকাৰক কাৰ্যকলাপৰ কাৰণে ব্যৱহাৰ নকৰিবৰ কাৰণে পাৰস্পৰিক প্ৰতিশ্ৰুতি ব্যক্ত কৰে। ভাৰতৰ বিদ্ৰোহী গোষ্ঠীৰ 22 জন কেডাৰক ভাৰতলৈ হস্তান্তৰ কৰাৰ কাৰণে ভাৰতীয় পক্ষই ম্যানমাৰৰ প্ৰতি প্ৰশংসা প্ৰকাশ কৰে।

ভাৰতে চীন ৰাজ্যৰ ব্যানু/চাৰছিচকত সীমান্ত হাট ব্ৰীজ নিৰ্মাণৰ কাৰণে 2 মিলিয়ন ডলাৰ অনুদানৰ কথা ঘোষণা কৰিছে যি মিজোৰাম আৰু ম্যানমাৰৰ মাজত অৰ্থনৈতিক যোগাযোগ বৃদ্ধি কৰিব। 31 মাৰ্চ 2021 পৰ্যন্ত ম্যানমাৰৰ পৰা আমদানিৰ কাৰণে 1.5 লাখ টন মাটি ডাইল অনাৰ কথা ঘোষণা কৰে। ইয়াৰ উপৰিও, মাইটকন্যাত চেন্টাৰ অফ এক্সিলেঞ্চ ইন ছফ্টওৱেৰ ডেভেলপমেন্ট এণ্ড ট্ৰেইনিঙৰ ভাৰ্চুৱেল ভাৱে উদ্বোধন কৰা হয়। বৈদেশিক সচিবে ম্যানমাৰৰ বৈদেশিক পৰিক্ৰমাৰ মন্ত্ৰী, স্থায়ী সচিব ইউ চ হানৰ সৈতে দূতাবাস সংযোগ কাৰ্যালয়ৰো উদ্বোধন কৰে।

ম্যানমাৰৰ পক্ষই 2016 বৰ্ষত ভূমিকম্পৰ ফলত ক্ষতিগ্ৰস্ত হোৱা বাগান প্যাগোদাৰ মেৰামতি আৰু সংৰক্ষণ সহ সাংস্কৃতিক ঐতিহ্য ৰক্ষণাবেক্ষণত ভাৰতে কৰা সহায়ৰ বাবে প্ৰশংসা জ্ঞাপন কৰে। দুয়ো পক্ষই মাণ্ডলেত লোকমান্য তিলকৰ 100 তম পূণ্য তিথিত তেখেতৰ স্মৃতিত এক প্ৰতিমা স্থাপন কৰাৰ পৰিকল্পনাৰ সন্দৰ্ভত আলোচনা কৰে। মণ্ডলীয় জেলত কাৰাগাৰত বন্দী হৈ থকা সময়ছোৱাত লোকমান্য তিলকে ভাগৱত গীতাৰ ব্যাখ্যানগীতা ৰহস্য লিখি উলিয়াইছিল। সংস্কৃতিত সহযোগিতাৰ অন্য ক্ষেত্ৰসমূহত বাৰ্মিছ ভাষাত ভাৰতীয় মহাকাব্যসমূহৰ অনুবাদ অন্তৰ্ভূক্ত আছিল।

বৈদেশিক সচিবে একবিংশ শতাব্দী পাংলংগ শান্তি সন্মিলনৰ চতুৰ্থখন বৈঠক সফলভাৱে অনুষ্ঠিত কৰাৰ কাৰণে ম্যানমাৰক অভিনন্দন জ্ঞাপন কৰে আৰু ম্যানমাৰৰ গণতান্ত্ৰিক উত্তৰণত সহায়তা প্ৰদান কৰাৰ কাৰণে সংবিধানবাদ আৰু সংঘবাদৰ নিজৰ অভিজ্ঞতাক বিনিময় কৰাৰ ক্ষেত্ৰত ভাৰতৰ ধাৰাবাহিক সমৰ্থনৰ আশ্বাস প্ৰদান কৰিছে।

যোৱা কিছু বছৰত দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক সম্পৰ্কৰ ক্ষেত্ৰত প্ৰশংসনীয় অগ্ৰগতি হোৱা দেখা গৈছে আৰু তেল, গেছ আৰু বিদ্যুত, আন্তঃগাঠনি আৰু ফাৰ্মাছিউটিকেল খণ্ডত নতুন বিনিয়োগ সহ সহযোগিতাৰ ক্ষেত্ৰত নতুন পথৰ অনুসন্ধান কৰিছে। উভয় পক্ষই ভাৰতীয় পাৱাৰ গ্ৰীড আৰু ম্যানমাৰ গ্ৰীডৰ মাজত এটি উচ্চ ক্ষমতাযুক্ত উচ্চ ভল্টাজযুক্ত গ্ৰীড ইন্টাৰকানেক্সন স্থাপনৰ ওপৰতো আলোচনা কৰে। উত্তৰ-পূব ৰাজ্য আৰু ম্যানমাৰৰ মাজত নিম্ন ভল্টেজৰ ৰেডিয়েল ইন্টাৰকানেক্সন সন্দৰ্ভত আলোচনা আগবঢ়াই থকা হৈছে। সমুদ্ৰ সীমা আৰু দুৰ্যোগ ব্যৱস্থাপনাত সহযোগিতা আগবঢ়োৱা হৈছে।

দুয়ো পক্ষই বিভিন্ন আঞ্চলিক আৰু বহুপাক্ষিক ক্ষেত্ৰত সহযোগিতা অব্যাহত ৰাখিছে। লেণ্ড বৰ্ডাৰ ক্ৰছিং চুক্তিৰ সফল ৰূপায়ন আৰু ভাৰত–ম্যানমাৰ–থাইলেণ্ড ত্ৰিপাক্ষিক মটৰ যানবাহন চুক্তিত সাম্প্ৰতি চলি থকা আলোচনাৰ দৰে পদক্ষেপসমূহ হাতত লোৱা হৈছে।

ভাৰতীয় স্থল সেনাৰ মুৰব্বী আৰু বৈদেশিক সচিবৰ ম্যানমাৰৰ এই ভ্ৰমণে দুয়োখন দেশে তেওঁলোকৰ বিস্তৃত দ্বিপাক্ষিক সম্পৰ্কৰ গতি বজাই ৰখাত পৰস্পৰে পৰস্পৰৰ সৈতে মিলি উচ্চ অগ্ৰাধিকাৰক প্ৰতিফলিত কৰে।

**নতুন দিল্লী**
**অক্টোবৰ 05, 2020**

**DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.**